**2026**

# অসমীয়া

**ASMAC204**

**Assamese Novel**

**(অসমীয়া উপন্যাস)**

**Full Marks- 80**

**Time- 3 Hours**

চমু প্ৰশ্নৰ উত্তৰ দিয়া - ১×১০=১০

১. ‘ভানুমতী’ উপন্যাসখন কোন পুৰুষত বৰ্ণিত হৈছে ?

২. ‘মৃগনাভি’ উপন্যাসখনৰ ঔপন্যাসিক গৰাকীৰ নাম কি ?

৩. ‘জীৱনৰ বাটত’ উপন্যাসখন প্ৰথম কোন চনত প্ৰকাশ হৈছিল ?

৪. ‘অয়নান্ত’ শব্দৰ অৰ্থ কি ?

৫. অসম দেশত গোলাম বন্ধা প্ৰথা কেতিয়াৰ পৰা নিষিদ্ধ কৰা হয় ?

৬. ‘কথা ৰত্নাকৰ’ উপন্যাসখনত বিশেষভাৱে কোনখন সমাজৰ কথা বৰ্ণিত হৈছে ?

৭. ‘কেঁচা বৰলক জোকাই ললে গা সাৰিবলৈ টান’ কথাষাৰ কোনে কৈছিল ?

৮. ‘মৎস্যগন্ধা’ উপন্যাসখন কোন শ্ৰেণীৰ উপন্যাস ?

৯. ‘জাতলৈ নমোৱা নাই, আজি তহঁতৰ এটাক জাতলৈ তুলিলো’ উক্তিটো কাৰ ?

১০. ‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসখনত উল্লেখ থকা প্ৰতিভাৱান শিল্পী গৰাকীৰ নাম কি ?

চমুটোকা লিখা (যিকোনো পাঁচটা) ৬×৫=৩০

১১. ‘ভানুমতী’ উপন্যাসৰ পুৰুষ চৰিত্ৰ

১২. কমলাকান্ত

১৩. বীণাপাণি

১৪. ‘কথা ৰত্নাকৰ’ৰ ঐতিহাসিক পটভূমি

১৫. ‘বিপন্ন সময়’ৰ আনন্দৰাম ফুকন

১৬. ৰাধেশ্যামী সকলৰ জীৱন

১৭. উপন্যাসিক হোমেন বৰগোহাঞি

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখা- ১০×৪=৪০

১৮. প্ৰথম অসমীয়া উপন্যাস হিচাপে ‘ভানুমতী’ উপন্যাসখনৰ এটি মূল্যায়ন আগবঢ়োৱা ।

১৯. সামাজিক উপন্যাস হিচাপে ‘জীৱনৰ বাটত ’ উপন্যাসখনৰ এটি পৰ্যালোচনা দাঙি ধৰা।

২০. ‘অয়নান্ত’ উপন্যাসখনত প্ৰজন্মৰ ব্যৱধানত নাৰী মনোজগতৰ বিচিত্ৰ স্বৰূপ প্ৰকাশি উঠিছে – কথাষাৰ সঁচানে? যদি হয় তেন্তে তাৰ সঠিক বিশ্লেষণ আগবঢ়োৱা।

২১. জাতিভেদ প্ৰথাই এখন সমাজক কেনেদৰে বিপথে পৰিচালিত কৰিব পাৰে তাৰ জ্বলন্ত উদাহৰণ ‘কথা ৰত্নাকৰ’ উপন্যাসখনত দেখিবলৈ পোৱা যায় – উপন্যাসখনৰ আধাৰত কথাষাৰ বুজাই লিখা ।

২২. ‘বিপন্ন সময়’ উপন্যাসৰ জৰিয়তে অসমত নগৰীকৰণ ভেঁটি কি দৰে প্ৰতিষ্ঠা হৈছিল ? সেই বিষয়ত সকলো দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰা।

২৩. ‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসত নিষ্ঠুৰ আত্মাহীন সমাজৰ হাতত লুণ্ঠিত হোৱা নাৰীৰ দুখ যাতনা কি দৰে পৰিস্ফুট হৈছে লিখা।

****